# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-March-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

### HEADLINES
::::::::::::::::::::

১। নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ লগে লগে ৰাজ্যত মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ।

২। বিধানসভা নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহৰ কঠোৰ নীতি-নিৰ্দেশনা জাৰি।

৩। ৰাজ্যৰ আৰক্ষী প্ৰশাসনত ব্যাপক সাল-সলনি।

**আৰু**

৪। দেৱব্ৰত দাসলৈ অসমীয়া ভাষাত ২০২৫ বৰ্ষৰ সাহিত্য একাডেমী বঁটা।

ooooo

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজপত্ৰিত অধিসূচনা জাৰি হোৱা বুলি আজি ঘোষণা কৰে। ইয়াৰ লগে লগে ৰাজ্যত মনোনয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১২৬ টা সমষ্টিৰ বাবে মনোনয়ন দাখিল অন্তিম দিন অহা ২৩ মাৰ্চ। সমষ্টিসমূহৰ ভিতৰত ৯টা অনুসূচীত জাতিৰ বাবে আৰু ১৯ টা অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত কৰা হৈছে বুলি শ্ৰী গোৱেলে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যৰ ৩১ হাজাৰ ৪৮৬ টা ভোটকেন্দ্ৰত দুই কোটি ৫০ লাখ ২১ হাজাৰ ৪১৩ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই ভোটগ্ৰহণত এশ শতাংশ ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। ভোটগ্ৰহণ নিয়াৰিকৈ চলাই নিয়াৰ বাবে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ২০০টা কোম্পানী ইতিমধ্যে ৰাজ্যত উপস্থিত হৈছে আৰু এই সপ্তাহতে কেইবাটাও কোম্পানী আহি পাব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। দলগাঁও সমষ্টিত সৰ্বাধিক সংখ্যক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত আমৰি সষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী গোৱেলে সকলোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়।

ইয়াৰ আগেয়ে কালি দেশৰ নিৰ্বাচন আয়োগে অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগত হ'বলগীয়া নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে ৰাজ্যকেইখনত নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হৈছে। অসম, কেৰালাম আৰু পুডুচেৰীত অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ লগতে তামিলনাডুত ২৩ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিন অহা ২৩ মাৰ্চ ধাৰ্য কৰা হৈছে। ২৪ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২৬ মাৰ্চ হ'ব মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত, পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল ৭ মে'ত আৰু কেৰালাৰ ১৪০ জনীয়া বিধানসভাৰ কাৰ্যকাল ২৩ মে'ত অন্ত পৰিব। তামিলনাডুত ২৩৪ জন সদস্যৰ বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল ১৫ জুনত অন্ত পৰিব।

০০০০০

াজি সকলো বিভাগৰ মুৰববী তথা খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। মাজুলী জিলা সংহত আয়ুক্তৰ কাৰ্যালয়ত আজি এখন সংবাদ মেল অনুষ্ঠিত হয়। মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আয়োজন কৰা সংবাদমেলখনত জিলা নিৰ্বাচনী বিষয়া, অতিৰিক্ত আৰক্ষী অধীক্ষকসহ জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। জিলাখনত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে লোৱা ব্যৱস্থা আৰু পদক্ষেপ সমূহৰ বিষয়ে আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে উল্লেখ কৰে।

বাইট (ৰাতুল চন্দ্ৰ পাঠক)

ইপিনে, যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়তো আয়ুক্ত জয় শিৱানীয়ে এখন সংবাদ মেলৰ আয়োজন কৰে। সংবাদ মেলত জিলা আয়ুক্তগৰাকীয়ে আসন্ন বিধানসভা নিৰ্বাচনৰ বিভিন্ন দিশ আৰু নিৰ্বাচনী আচৰণ বিধি সম্বন্ধীয় কেইবাটাও বিষয় উল্লেখ কৰে। এই সংবাদমেলত জিলা নিৰ্বাচনী বিষয়াৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষতো আয়ুক্ত ডাঃ নেহা যাদৱে জিলাখনত নিৰ্বাচন আচৰণ বিধি বলবৎ সম্বন্ধে সংবাদমেল সম্বোধন কৰে। জিলাখনৰ দুটা বিধানসভা সমষ্টিত নিৰ্বাচনী কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। জিলাখনৰ সোণাৰি বিধানসভা সমষ্টিত ২০৭টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু মাহমৰা বিধানসভা সমষ্টিত ১৮৪টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। জিলাখনত শান্তিপূৰ্ণ, স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সাজু বুলি আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

ধেমাজি জিলাত আজি আয়ুক্ত ৰাহুল সুৰেশ জাবিৰে বৈঠকৰ পাছত সংবাদমেলযোগে জিলাখনত শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। সংবাদমেলত জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই আইন শৃংখলা দিশত আৰক্ষী প্ৰশাসনে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰে।

গোলাঘাট জিলাতো জিলা আয়ুক্ত পূবালী গোঁহাই আৰু আৰক্ষী অধীক্ষক ৰাজেন সিঙে এখন সংবাদ মেল সম্বোধন কৰে। শ্ৰীভূমি জিলাতো নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হোৱাৰ লগে লগে জিলা প্ৰশাসনে নিৰ্বাচনী ব্যয় নিয়ন্ত্ৰণ, প্ৰচাৰ সামগ্ৰী প্ৰকাশ আৰু ৰাজনৈতিক প'ষ্টাৰ আঁতৰোৱাৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে চি পি আই এম দলে আজি দুটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। দলটোৱে এখন সংবাদমেলযোগে ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিৰ বাবে মনোৰঞ্জনৰ তালুকদাৰক প্ৰাৰ্থিত্ব দিছে। আনহাতে গোৰেশ্বৰ সমষ্টিৰ বাবে বাপুৰাম বড়োক প্ৰাৰ্থিত্ব দিয়া হৈছে। উল্লেখযোগ্য যে বিধানসভা

নিৰ্বাচনৰ বাবে কংগ্ৰেছ, অসম জাতীয় পৰিষদ, চি পি আই এম, এ পি এইছ এল চি আৰু চি পি আই এম এল দলৰ মাজত আসন বুজাবুজি সম্পন্ন হৈছে।

০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ কেইবাখনো জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াক সাল-সলনি কৰা হৈছে। মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰূপে ছোমালিন শুভদৰ্শিনীক নিযুক্তি দিয়া হৈছে। আৰ. শীতল কুমাৰ দক্ষিণ শালমাৰা, অন্‌চল চৌহানক শদিয়া, সুধাকৰ সিঙক চিৰাং আৰু মোহন লাল মীনাক ধেমাজিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নিযুক্তি দিয়া হৈছে। কাইলৈ দিনৰ ১১ বজাৰ পূৰ্বে জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলক নিজৰ দায়িত্ব গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০

২০২৫ বৰ্ষৰ সাহিত্য একাডেমী বঁটাসমূহ আজি ঘোষণা কৰা হৈছে। অসমীয়া ভাষাত দেৱব্ৰত দাসে কড়ি খেলাৰ সাধু উপন্যাসৰ বাবে এই বঁটা লাভ কৰিছে। বড়ো ভাষাত সাহাইছুলি ব্ৰহ্মই দৌংনুৰি লামা মৌন্‌চে গঠীন উপন্যাসৰ বাবে এই বঁটা লাভ কৰিছে। মণিপুৰী ভাষাত হাওবাম নলিনীয়ে কাংলামদ্ৰিবা ইফ’ত নামৰ চুটিগল্প সংকলনৰ বাবে আৰু বাংলা ভাষাত প্ৰসূন বন্দোপধ্যায়ে শ্ৰেষ্ঠ কবিতা শীৰ্ষক কাব্যগ্ৰন্থৰ বাবে এই বঁটা লাভ কৰিছে।

০০০০০

চৰাইদেউ জিলাত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ নাটনি হোৱা বুলি প্ৰচাৰিত বাতৰি সম্পূৰ্ণ ভিত্তিহীন বুলি জিলা প্ৰশাসনে স্পষ্ট কৰি দিছে। একাংশ লোকে প্ৰচাৰ কৰা এনে উৰাবাতৰিয়ে জনসাধাৰণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে বুলি প্ৰকাশ কৰি এনে বাতৰিত পতিয়ন নাযাবলৈ জিলা আয়ুক্ত ডাঃ নেহা যাদৱে জনসাধাৰণক আহ্বান জনাইছে। তেওঁ কয়, যে জিলাখনত সম্প্ৰতি ৰন্ধন গেছৰ যোগান স্বাভাৱিক অৱস্থাত আছে আৰু নাটনিৰ কোনো আশংকা নাই। চৰকাৰী নিয়ম অনুসৰি এজন গ্ৰাহকে চিলিণ্ডাৰ এটা গ্ৰহণ কৰাৰ ২৫ দিন পাছতহে পৰৱৰ্তী চিলিণ্ডাৰটো বুক কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। কোনো গেছ বিতৰকে চিলিণ্ডাৰ জমা ৰাখি কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিলে অথবা নিৰ্ধাৰিত মূল্যতকৈ অধিক ধন দাবী কৰিলে তেনে লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ’ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী যাদৱে জনসাধাৰণক আতংকিত হৈ প্ৰয়োজনতকৈ অধিক চিলিণ্ডাৰ বুক নকৰিবলৈ আহ্বান জনায়।

(বাইট)

০০০০০

সমাপ্ত